NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ শ্ৰীনগৰত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২। উচ্চতম ন্যায়ালয়ে আজি বিভিন্ন উচ্চ ন্যায়ালয়ত বিচাৰাধীন চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে আয়োজিত নীট-ইউ জিৰ প্ৰশ্ন কাকত ফাদিল সম্পৰ্কীয় গোচৰৰ শুনানিত স্থগিতাদেশ দিয়ে।

৩। চৰকাৰে কৈছে যে, দেশত পৰ্যাপ্ত পৰিমাণৰ ঘেঁহু মজুত আছে।

৪। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

*আৰু*

৫। ভাৰত আজি হ'বলগীয়া আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত আফগানিস্তানৰ সন্মুখীন হ'ব।০০০০

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে ইতিমধ্যে জম্মু কাশ্মীৰত উপস্থিত হৈছে। শ্ৰীমোদীয়ে কাইলৈ শ্ৰীনগৰত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু যোগ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা সভাক সম্বোধন কৰিব। শ্বেৰ-ই-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰৰ্তন চৌহদত আয়োজিত যোগাসনৰ এই কাৰ্যসূচীত প্ৰায় ৭ হাজাৰ লোকে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। জম্মু কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ মূল কাৰ্যসূচী উদযাপনৰ বাবে শ্ৰীনগৰক বাছনি কৰাৰ বাবে প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জনায়। তেওঁ লগতে কাইলৈ অনুষ্ঠিত হ'বলগীয়া যোগাসনৰ কাৰ্যসূচীত ব্যাপকভাৱে মহিলা আৰু কন্যাসকলে অংশগ্ৰহণ কৰা কাৰ্যতো আনন্দ প্ৰকাশ কৰে।

০০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি বিভিন্ন উচ্চ ন্যায়ালয়ত বিচাৰাধীন চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে আয়োজিত ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপন তথা প্ৰৱেশ পৰীক্ষা নীট-ইউ জিৰ প্ৰশ্ন কাকত ফাদিল সম্পৰ্কীয় গোচৰৰ শুনানিত স্থগিতাদেশ দিয়ে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই দাখিল কৰা গোচৰ স্থানান্তৰৰ আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ বিক্ৰম নাথ নেতৃত্বাধীন এখন অৱকাশকালীন বিচাৰপীঠে এই স্থগীতাদেশ দিয়ে।

শুনানিৰ সময়ত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ অধিবক্তাগৰাকীয়ে কয় যে, যোৱা সপ্তাহত সৰ্বোচ্চ ন্যায়ালয়ে গোচৰ স্থানান্তৰৰ অনুৰূপ আবেদন সন্দৰ্ভত জাননী জাৰি কৰা সত্বেও বিভিন্ন উচ্চ ন্যায়ালয়ত নীট-ইউ জি পৰীক্ষাৰ অনিয়ম সম্পৰ্কীয় বিভিন্ন গোচৰৰ শুনানি চলি আছে। উচ্চতম ন্যায়ালয়ত গোচৰ স্থানান্তৰ আৰু পৰীক্ষা বাতিল কৰাৰ বাবে

অনুৰোধ জনাই দাখিল কৰা আবেদনসমূহ সন্দৰ্ভত ৮ জুলাইত পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে ১৪ জুনত উচ্চতম ন্যায়ালয়ে দিল্লী উচ্চ ন্যায়ালয়ত বিচাৰাধীন এখন আবেদনৰ শুনানি স্থানান্তৰৰ বাবে অনুৰোধ জনাই ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই দাখিল কৰা আবেদন সন্দৰ্ভত জাননী জাৰি কৰিছিল। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা স্থানান্তৰ আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰি সৰ্বোচ্চ ন্যায়ালয়ে নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগ তুলি দিল্লী উচ্চ ন্যায়ালয়ৰ ওচৰত লেখ আবেদন দাখিল কৰা প্ৰাৰ্থীগৰাকীৰ পৰা উত্তৰ বিচাৰিছে। উচ্চতম ন্যায়ালয়ে নীট পৰীক্ষাত গ্ৰেছ্ মাৰ্ক প্ৰদানৰ বিষয়ৰ লগত জড়িত গোচৰ ইতিমধ্যে খাৰিচ কৰিছে।

oooooooo

বিজেপিয়ে নীট পৰীক্ষাত অনিয়ম হোৱা বুলি উঠা অভিযোগক লৈ চৰকাৰক আক্ৰমণ কৰাৰ বাবে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত সুধাংশু ত্ৰিবেদীয়ে কয় যে, শ্ৰী গান্ধীয়ে বিষয়টো লৈ ৰাজনীতি কৰিছে আৰু লাখ লাখ শিক্ষাৰ্থীৰ ভৱিষ্যতৰ সৈতে তেওঁৰ কোনো সম্পৰ্ক নাই। চৰকাৰ বিষয়টোলৈ সম্পূৰ্ণ সজাগ আৰু সচেতন বুলি উল্লেখ কৰি তেওঁ কয় যে, চৰকাৰে শিক্ষাৰ্থীসকলৰ সৈতে অন্যায় হ'বলৈ নিদিয়ে। এই ঘটনাৰ বাবে দোষীসকৰল বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি বিজেপি মুখপাত্ৰগৰাকীয়ে উল্লেখ কৰে।

ইয়াৰ পূৰ্বে নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত শ্ৰী গান্ধীয়ে নীট পৰীক্ষাত হোৱা অনিয়মৰ বাবে জগৰীয়াসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। বিষয়টোক ৰাষ্ট্ৰীয় বিপৰ্যয় বুলি অভিহিত কৰি কংগ্ৰেছ নেতাগৰাকীয়ে ইয়াক লৈ চৰকাৰ কিয় মৌন বুলি প্ৰশ্ন উত্থাপন কৰে। ভাৰত জোৰো ন্যায় যাত্ৰাৰ সময়ত প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত ভালেমান অভিযোগ লাভ কৰা বুলিও কেংগ্ৰেছ নেতাগৰাকীয়ে উল্লেখ কৰে।

oooooooo

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল গোচৰৰ অভিযুক্তজনে প্ৰাধীকৰণৰ পাটনাস্থিত অতিথিগৃহত থকা বুলি ওলোৱা দাবী খণ্ডন কৰিছে। পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ নডেল সংস্থা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে পাটনা ইয়াৰ কোনো অতিথি গৃহ নাই বুলি স্পষ্ট কৰিছে।

oooooooo

চৰকাৰে কৈছে যে, দেশত পৰ্যাপ্ত পৰিমাণৰ ঘেঁহু মজুত আছে। চৰকাৰে ঘেঁহুৰ মূল্যৰ ওপৰত নজৰ ৰাখি আছে আৰু ঘৰুৱা উপভোক্তাসকলৰ বাবে মূল্য সুস্থিৰতা সুনিশ্চিত কৰাৰ বাবে উপযুক্ত নীতিগত হস্তক্ষেপ কৰাৰ পৰামৰ্শ আগবঢ়াইছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যৰ পৰ্যালোচনাৰ বাবে আজি কেন্দ্ৰীয় গৃহ তথা সমবায় মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত মন্ত্ৰীসকলৰ কমিটিৰ এখন বৈঠক অনুষ্ঠিত হয়। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে, ২০২৪ ৰবি শস্য বিপনন বৰ্ষত ১৮ জুন পৰ্যন্ত ২৬৬ লাখ মেট্ৰিকটন ঘেঁহু ক্ৰয় কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা বছৰ ২৬২ লাখ মেট্ৰিকটন ঘেঁহু ক্ৰয় কৰা হৈছিল।

oooooooo

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এই ভ্ৰমণসূচীৰ সময়ছোৱাত শ্ৰীমতী হাছিনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰকো সাক্ষাৎ কৰিব। ভাৰতত নতুন চৰকাৰ গঠন হোৱাৰ পাছত এয়া প্ৰথমটো দ্বিপীক্ষিক ভ্ৰমণ হ'ব।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ শাৰীৰিক ভাৱে অক্ষম ব্যক্তিৰ প্ৰতিষ্ঠান দীনদয়াল উপাধ্যায় National Institute for Persons with Physical Disabilities পৰিদৰ্শন কৰে। ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দিব্যাংগ শিশুসকলৰ সৈতে মত বিনিময় কৰে আৰু শিশুসকলৰ সাংস্কৃতিক প্ৰদৰ্শন উপভোগ কৰে। ইয়াৰ উপৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে পুনৰনিৰ্মাণ কৰা প্ৰস্থেছিছ আৰু অৰ্থচিছ চেণ্টাৰো পৰিদৰ্শন কৰি ৰোগীসকলৰ সৈতে মত বিনিয়ম কৰে। সভাত ভাষণ দি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে, এখন দেশ বা সমাজৰ অগ্ৰগতি জুখিব পাৰি, সেই দেশ বা সমাজৰ জনসাধাৰণে দিব্যাংগজনৰ প্ৰতি দেখুওৱা সংবেদনশীলতাত। শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে, সংবেদনশীলতা আৰু সৰ্বাংগীনতা আমাৰ সংস্কৃতি আৰু সভ্যতাৰ অবিচ্ছেদ্য অংগ। দিব্যাংগজনৰ আৰ্থসামাজিক সৱলীকৰণৰ দিশত কাম কৰা প্ৰতিষ্ঠানটোৰ সৈতে জড়িত সকলো লোককে সভাপতিগৰাকীয়ে শলাগ লয়।

০০০০০০০০

দিল্লীৰ এখন আদালতে  সুৰা নীতি কেলেংকাৰী সম্পৰ্কীয় ক'লা ধন বৈধ কৰণৰ গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ জামিন আবেদন সন্দৰ্ভত ৰায় সুৰক্ষিত ৰাখিছে। ৰাউজ এভিনিউ আদালতৰ অবকাশকালীন ন্যায়াধীশ ন্যায় বিন্দুই বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ হৈ ওকালতি কৰা অতিৰিক্ত চলিচিটৰ জেনেৰেল এছ্ ভি ৰাজুৰ যুক্তি-তৰ্ক শুনাৰ পিছত আজি ৰায়দান সুৰক্ষিত ৰখাৰ সিদ্ধান্ত লয়।  ন্যায়ালয়ে লগতে চিকিৎসা পৰিষদৰ স্বাস্থ্য পৰীক্ষাৰ সময়ত পত্নীক ভাৰ্চুৱেল ব্যৱস্থাৰে আদালতৰ প্ৰক্ৰিয়াৰ অংশগ্ৰহণৰ অনুমতি বিচাৰি কেজৰিৱালে দাখিলৰ কৰা আবেদন সন্দৰ্ভতো ৰায়দান সুৰক্ষিত ৰাখে। বিধি বলৱৎকাৰী সঞ্চালকালয়ে ২১ মাৰ্চত শ্ৰী কেজৰিৱালক গ্ৰেপ্তাৰ কৰিছিল। উচ্চতম ন্যায়ালয়ে মে'ত সাধাৰণ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত তেওঁক এক জুনলৈকে অন্তৰৰ্তীকালীন জামিন প্ৰদান কৰিছিল। ইয়াৰ এদিন পাছতে শ্ৰী কেজৰিৱাৰ আদালতৰ সন্মুখত হাজিৰ হৈছিল।

০০০০০০০০

ভাৰত আজি বাৰবাডোছৰ ব্ৰীজটাউনত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত আফগানিস্তানৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। আকাশবাণীয়ে খেলখনৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব।

ইপিনে ইংলেণ্ডে আজি ছেইণ্ট লুছিয়াত অনুষ্ঠিত গ্ৰুপ এইট পৰ্যায়ৰ এখন খেলত ইংলেণ্ডে ৱেষ্ট ইণ্ডিজক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত ৱেষ্ট ইণ্ডিজে প্ৰথমে বেটধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেটৰ বিনিময়ত ১৮০ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে ১৭ অভাৰ আৰু ৩টা বলত দুটা উইকেট হেৰুৱাই ১৮১ ৰান কৰে। ইংলেণ্ডৰ হৈ ফিল ছ্লেট ৮৭ ৰান কৰে আৰু জনী পেৰিষ্টই ২৬টা বলত ৪৮ ৰানৰ বৰঙণি আগবঢ়ায়।  ফিল ছ্লটক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰে।

০০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত বিত্তীয় আৰু মূলধনী বজাৰ খণ্ডৰ আগশাৰীৰ বিশেষজ্ঞসকলৰ সৈতে দ্বিতীয়লানি আৰু বিশিষ্ট উদ্যোগপতি তথা সংস্থাৰ সৈতে তৃতীয়লানি প্ৰাক-বাজেট আলোচনাত মিলিত হয়। ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেট প্ৰস্তুতিৰ অংশ হিচাপে আয়োজিত এই বৈঠকত বিত্ত ৰাজ্য

মন্ত্ৰী পংকজ চৌধৰী, বিত্ত সচিব, অৰ্থনৈতিক পৰিক্ৰমা, ৰাজহ, বিত্তীয় সেৱা আৰু কোম্পানী পৰিক্ৰমা বিভাগৰ সচিবসকলৰ লগতে মুখ্য অৰ্থনৈতিক উপদেষ্টাই অংশগ্ৰহণ কৰে।

oooooooo

সমাপ্ত